**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 11-06 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::**

১। মোদী মন্ত্ৰীসভাৰ সদস্যসকলৰ মাজত কালি দপ্তৰসমূহ বিতৰণ কৰা হয়।

২। কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ২০২৪-২৫ শৈক্ষিক বৰ্ষৰ পাঠ্যক্ৰম সন্দৰ্ভত ভুল তথ্যত বিচলিত নহ'বলৈ শিক্ষাৰ্থীসকলৰ প্ৰতি আহ্বান জনাইছে।

৩। কেন্দ্ৰই জুনত কৰ হস্তান্তৰ হিচাপে ৰাজ্যসমূহলৈ এক লাখ ৩৯ হাজাৰ কোটিতকৈও অধিক টকা মুকলি কৰি দিছে।

**আৰু**

৪। দক্ষিণ আফ্ৰিকাই যোৱা নিশা আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত বাংলাদেশক ৪ ৰানত পৰাস্ত কৰে।

০০০০০

মোদী মন্ত্ৰীসভাৰ সদস্যসকলক তেওঁলোকৰ দপ্তৰসমূহ প্ৰদান কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙক পুনৰবাৰ প্ৰতিৰক্ষা মন্ত্ৰী হিচাপে দায়িত্ব অৰ্পণ কৰাৰ লগতে অমিত শ্বাহক গৃহ আৰু সমবায় মন্ত্ৰী, নিৰ্মলা সীতাৰমনক বিত্ত মন্ত্ৰী আৰু ড০ এছ জয়শংকৰক বিদেশ মন্ত্ৰী হিচাপে পুনৰ দায়িত্ব দিয়া হৈছে। নীতিন গাডকাৰীয়ে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী হিচাপে দায়িত্ব পালন কৰি যাব। আনহাতে পীয়ুষ গোৱেলক বাণিজ্য আৰু উদ্যোগ তথা ধৰ্মেন্দ্ৰ প্ৰধানক শিক্ষামন্ত্ৰী হিচাপে পুনৰ দায়িত্ব দিয়া হৈছে। বিজেপিৰ সভাপতি জে পি নাড্ডাই দেশৰ নতুন স্বাস্থ্য, ৰাসায়ন আৰু সাৰ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিব। ইপিনে মধ্যপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহান হ'ব দেশৰ নতুন কৃষি আৰু গ্ৰাম্য উন্নয়ন মন্ত্ৰী। অশ্বিনী বৈষ্ণৱে তথ্য আৰু প্ৰযুক্তি বিভাগৰ মন্ত্ৰী হিচাপে দায়িত্ব লোৱাৰ লগতে ৰে'ল মন্ত্ৰালয়ৰ দায়িত্ব পালন কৰিব। হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মনোহাৰ লাল খট্টৰক গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা তথা শক্তি বিভাগৰ দায়িত্ব দিয়া হৈছে। সংসদীয় পৰিক্ৰমা বিভাগৰ দায়িত্ব লাভ কৰিছে কিৰেন ৰিজিজুৱে। অন্নপূৰ্ণা দেৱীক মহিলা আৰু শিশু কল্যাণ বিভাগৰ দায়িত্ব দিয়া হৈছে।

ৰাও ইন্দৰজিত সিঙক পৰিসংখ্যা কাৰ্যসূচী ৰূপায়ণৰ দায়িত্ব দিয়াৰ লগতে পৰিকল্পনা মন্ত্ৰালয়ৰ স্বতন্ত্ৰ দায়িত্ব দিয়া হৈছে। ড০ জিতেন্দ্ৰ সিঙে বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী তথা ভূ-বিজ্ঞানৰ স্বতন্ত্ৰ মন্ত্ৰীৰ দায়িত্ব লাভ কৰিছে। যাদৱ প্ৰতাপ ৰাও গনপট ৰাওৱে আয়ুষ বিভাগৰ স্বতন্ত্ৰ মন্ত্ৰী হিচাপে কাম কৰিব। আৰ এল ডিৰ জয়ন্ত চৌধাৰীক দক্ষতা বিকাশ মন্ত্ৰালয়ৰ স্বতন্ত্ৰ মন্ত্ৰীৰ দায়িত্ব দিয়া হৈছে। তেওঁ শিক্ষা বিভাগৰ ৰাজ্য মন্ত্ৰী হিচাপেও কাৰ্যনিৰ্বাহ কৰিব।

ইপিনে জিতিন প্ৰসাদে উদ্যোগ, বাণিজ্য, ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি বিভাগৰ ৰাজ্য মন্ত্ৰীৰ দায়িত্ব লাভ কৰিছে। পংকজ চৌধুৰী হ'ব বিত্ত বিভাগৰ ৰাজ্য মন্ত্ৰী। আনহাতে কৃতি বৰ্ধন সিঙে বিদেশ পৰিক্ৰমা বিভাগৰ, সঞ্জয় সেঠে প্ৰতিৰক্ষা, আৰ পি আইৰ নেতা ৰামদাস আঠাৱালে সামাজিক ন্যায় আৰু সৱলীকৰণ, অপনা দলৰ নেতা অনুপ্ৰিয়া পেটেলে স্বাস্থ্য, ৰয়াসন তথা সাৰ বিভাগৰ, অধ্যাপক এছ্ পি সিং ৰাঘেলে মীন, পশুপালনৰ লগতে পঞ্চায়তীৰাজ বিভাগৰ ৰাজ্য মন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰিছে। ৰৱনীত সিঙক ৰে'ল বিভাগৰ গুৰু দায়িত্ব প্ৰদান কৰা হৈছে। নিত্যানন্দ ৰায়ে গৃহ বিভাগৰ ৰাজ্য মন্ত্ৰী হিচাপে কাম কৰিব। আনহাতে ডঃ এল মুৰুগানে সংসদীয় পৰিক্ৰমাৰ লগতে তথ্য প্ৰযুক্তিৰ ৰাজ্য মন্ত্ৰী হিচাপে দায়িত্ব ল'ব। ৰান্দি সঞ্জয় কুমাৰে গৃহ বিভাগৰ ৰাজ্য মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে সুৰেশ গোপীয়ে পেট্ৰলিয়াম আৰু পৰ্যটন বিভাগৰ ৰাজ্য মন্ত্ৰী হিচাপে কাম কৰিব।

০০০০০

ওড়িশাৰ ভূৱনেশ্বৰত আজি নেতা নিৰ্বাচন কৰাৰ বাবে বিজেপিৰ বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং আৰু ভূপেন্দৰ যাদৱ কেন্দ্ৰীয় নিৰীক্ষক হিচাপে উপস্থিত থাকিব। ৰাজ্যখনৰ কাইলৈ বিজেপি নেতৃত্বাধীন এখন নতুন চৰকাৰে দায়িত্বভাৰ গ্ৰহণ কৰাৰ কথা আছে।

বিজেপিয়ে ৰাজ্যখনৰ শেহতীয়া বিধানসভা নিৰ্বাচনত ১৪৭খন আসনৰ ভিতৰত ৭৮ খনত জয়লাভ কৰি নিৰংকুশ সংখ্যাগৰিষ্ঠাতা অৰ্জন কৰিছিল।

০০০০০

ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ সৰসংঘচালক ডাঃ মোহন ভাগৱতে কৈছে যে, এখন সুস্থ গণতন্ত্ৰৰ বাবে শাসকীয় আৰু বিৰোধী দল সমানেই গুৰুত্বপূৰ্ণ। নাগপুৰৰ ৰেছিমভাগত অনুষ্ঠিত কাৰ্যকৰ্তা বিকাশ কাৰ্যসূচীৰ সামৰণি অনুষ্ঠানত ভাগ লৈ কালি তেওঁ ৰাজনীতি ঐক্য মতেৰে চলিব লাগে বুলি মন্তব্য কৰে।

দেশৰ বৈচিত্ৰ্যত গুৰুত্ব আৰোপ কৰি তেওঁ কয় যে, বৈচিত্ৰ্যৰ মাজত একতাই আমাৰ পৰিচয় আৰু আমি পাৰস্পৰিক ধৰ্মীয় আৱেগক সন্মান জনোৱা উচিত।

দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ৯০০ৰো অধিক স্বেচ্ছাসেৱকৰ অংশগ্ৰহণেৰে যোৱা মাহত আৰম্ভ হোৱা সংঘৰ স্বেচ্ছাসেৱকসকলৰ মাহজোৱা প্ৰশিক্ষণ কাৰ্যসূচীৰ কালি সামৰণি পৰে।

০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ, চিবিএছইয়ে সতৰ্কমূলক পৰামৰ্শাৱলীৰ জৰিয়তে ২০২৪-২৫ শৈক্ষিক বৰ্ষৰ পাঠ্যক্ৰম, অধ্যয়ন সামগ্ৰী আৰু আৰ্হি প্ৰশ্নকাকত সন্দৰ্ভত ভুল তথ্যত বিচলিত নহ'বলৈ শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ প্ৰতি আহ্বান জনাইছে। কিছু অনলাইন মঞ্চ তথা ৱেবছাইটে পুৰণি লিংক আৰু সত্যাসত্য নিৰূপণ নকৰা বাতৰিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক বিপথে পৰিচালিত কৰাৰ অপচেষ্টাৰ বিষয়ে প্ৰকাশ কৰি পৰিষদে এই সতৰ্কবাণীৰ জৰিয়তে শিক্ষাৰ্থীসকলক বিচলিত নহ'বলৈ আহ্বান জনাইছে। অকৰ্তৃত্বশীল উৎসৰ পৰা লাভ কৰা তথ্য বিভ্ৰান্তিকৰ হ'ব পাৰে বুলি উল্লেখ কৰি পৰিষদে এই তথ্যসমূহে বিদ্যালয়, ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা সংশ্লিষ্ট আটাইৰে মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিব বুলি আশংকা প্ৰকাশ কৰে। প্ৰামাণিক তথ্য আৰু শেহতীয়া খবৰৰ বাবে কেৱল পৰিষদৰ ৱেবছাইটতহে চাবলৈ এই পৰামৰ্শাৱলীত আহ্বান জনোৱা হৈছে।

০০০০০

কেন্দ্ৰই জুনত কৰ হস্তান্তৰ হিচাপে ৰাজ্যসমূহলৈ এক লাখ ৩৯ হাজাৰ কোটিতকৈও অধিক টকা মুকলি কৰি দিছে। বিত্ত মন্ত্ৰালয়ে জনোৱা মতে এই ধনৰাশিয়ে ৰাজ্যসমূহক উন্নয়নমূলক কাম-কাজ খৰতকীয়া কৰাৰ লগতে মূলধনী ব্যয়ৰ ক্ষেত্ৰত সহায় কৰিব। উত্তৰ প্ৰদেশে সৰ্বাধিক ২৫ হাজাৰ কোটিতকৈও অধিক টকা লাভ কৰিছে। বিহাৰে ১৪ হাজাৰ কোটিতকৈও অধিক টকা, মধ্যপ্ৰদেশে প্ৰায় ১১ হাজাৰ কোটি আৰু পশ্চিমবংগই ১০ হাজাৰ কোটিতকৈও অধিক টকা লাভ কৰিছে। ২০২৪-২৫ চনৰ অন্তৰ্বৰ্তীকালীন বাজেটত ৰাজ্যসমূহলৈ কৰ হস্তান্তৰৰ ক্ষেত্ৰত প্ৰায় ১২ লাখ ২০ হাজাৰ কোটি টকা আগবঢ়োৱাৰ ব্যৱস্থা আছে।

০০০০০

মালাৱিৰ উপ-ৰাষ্ট্ৰপতি ছাওলোছ চিলিমা আৰু অন্যান্য ৯ জন লোকক লৈ উৰা মৰা এখন বিমান সন্ধানহীন হৈছে। মালাৱিৰ ৰাষ্ট্ৰপতি লাজাৰ শ্বছকৰেৰাৰ কাৰ্যালয়ৰ পৰা প্ৰকাশ কৰা এটা বিবৃতি অনুসৰি দেশখনৰ প্ৰতিৰক্ষা বাহিনীৰ বিমানখন কালি ৰাজধানী লিলংৱেৰ পৰা উৰা মৰাৰ পাছতে ৰাডাৰৰ পৰা সন্ধানহীন হয়। বিমানখনত ৫১ বছৰীয়া উপ-ৰাষ্ট্ৰপতিগৰাকীৰ লগতে তেওঁৰ পত্নী আৰু অন্য ৮জন লোক আছিল। বিমানখনে উৰা মৰাৰ পৰা ৪৫ মিনিটৰ পাছত মজুজু আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত অৱতৰণ কৰাৰ কথা আছিল। নিখোজ হোৱা বিমানখনৰ বাবে অনুসন্ধান আৰু উদ্ধাৰ অভিযান অব্যাহত আছে।

০০০০০

দক্ষিণ আফ্ৰিকাই যোৱা নিশা নিউয়ৰ্কৰ নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত পুৰুষৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত বাংলাদেশক ৪ ৰানত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১১৩ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ হেনৰিক ক্লাছেনে ৪৪টা বলত সৰ্বাধিক ৪৬ ৰানৰ বৰঙণি আগবঢ়ায়। বাংলাদেশৰ টানজিম হাছান ছাকিবে ৩টা উইকেট দখল কৰে।

প্ৰত্যুত্তৰত বাংলাদেশে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১০৯ ৰানহে কৰিবলৈ সক্ষম হয়। দক্ষিণ আফ্ৰিকাৰ কেশৱ মহাৰাজে ৩টা উইকেট দখল কৰাৰ বিপৰীতে এনৰিক নৰ্টজে আৰু কাগিছ' ৰাবাডাই দুটাকৈ উইকেট লাভ কৰে।

প্ৰতিযোগিতাত আজি একেখন ষ্টেডিয়ামতে পাকিস্তান কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পাকিস্তান এই পৰ্যন্ত প্ৰতিযোগিতাৰ দুয়োখন খেলতে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ভাৰতৰ বিৰুদ্ধে পৰাজিত হৈছে। ইপিনে কানাডাই অন্তিমখন খেলত আয়াৰলেণ্ডত ১২ ৰানত পৰাস্ত কৰিছে।

০০০০০

ভাৰতৰ গুলবীৰ সিঙে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প'ৰ্টলেণ্ডত অনুষ্ঠিত প'ৰ্টলেণ্ড ট্ৰেক ফেচটিভেল হাই পাৰফৰ্মেন্স মিটৰ পুৰুষৰ ৫ হাজাৰ মিটাৰ দৌৰত ৰূপৰ পদক অৰ্জন কৰিছে। এছিয়ান গেমছত ব্ৰঞ্জৰ পদক বিজেতা খেলুৱৈগৰাকীয়ে কালি পুৰুষৰ ৫ হাজাৰ মিটাৰ দৌৰ সম্পূৰ্ণ কৰা দ্ৰুততম ভাৰতীয় খেলুৱৈৰ কৃতিত্ব অৰ্জন কৰে। খেলুৱৈগৰাকীয়ে ১৩ মিনিট আৰু ১৮ দশমিক ৯-২ ছেকেণ্ডেৰে বিগত বৰ্ষত অবিনাশ ছাবলেই স্থাপন কৰা ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰে। প্ৰতিযোগিতাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ দিলান জেকবছে সোণৰ পদক অৰ্জন কৰে।

০০০০০

ভাৰতৰ পুৰুষৰ ফুটবল দলটো আজি দোহাত ২০২৬ চনৰ ফিফা বিশ্বকাপ এ এফ চি কোৱালিফায়াৰ প্ৰতিযোগিতাৰ এখন গুৰুত্বপূৰ্ণ খেলত এছিয়াৰ সাম্প্ৰতিক চেম্পিয়ন কাটাৰৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৯ বাজি ১৫ মিনিটত আৰম্ভ হ'ব। কোৱালিফায়াৰ প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হ'বৰ বাবে ভাৰতে গ্ৰুপ-এৰ শীৰ্ষ দুটা স্থানৰ যিকোনো এটা দখল কৰিব লাগিব। ইপিনে প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰা দলসমূহে সমান্তৰালভাৱে ছৌদি আৰবত হ'বলগীয়া ২০২৭ বৰ্ষৰ এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাৰ বাবেও যোগ্যতা অৰ্জন কৰিব।

তাৰকা খেলুৱৈ সুনীল চেত্ৰীৰ অৱসৰৰ পাছত আজিৰ খেলখনত গলকিপাৰ গুৰপ্ৰীত সিঙে ভাৰতীয় দলৰ নেতৃত্ব বহন কৰিব।

বৰ্তমান প্ৰতিযোগিতাৰ গ্ৰুপ-এত কাটাৰে ১৩ পইণ্টেৰে শীৰ্ষস্থানত আছে। দলটো ইতিমধ্যে পৰৱৰ্তী ৰাউণ্ডত নিজৰ স্থান নিশ্চিত কৰিছে। ভাৰতে বৰ্তমান ৫খন খেলৰ পৰা ৫ পইণ্ট অৰ্জন কৰি উন্নত গল ব্যৱধানৰ ভিত্তিত দ্বিতীয় স্থানত আছে। আফগানিস্তান আৰু কুৱেইট ক্ৰমে গ্ৰুপ-এত তৃতীয় আৰু চতুৰ্থ স্থানত আছে।

০০০০০

ভাৰতৰ যুকি ভাম্ব্ৰী আৰু তেওঁৰ ফৰাচী সহযোগী আলবানো অলিভেট্টিয়ে আজি জাৰ্মানীত ষ্টুটগাৰ্ট অপেন টেনিছ প্ৰতিযোগিতাত নিজৰ অভিযান আৰম্ভ কৰিব। ভাম্ব্ৰী আৰু অলিভেট্টি পুৰুষৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত দ্বিতীয় বাছনিপ্ৰাপ্ত নিউজিলেণ্ডৰ মাইকেল ভেনাছ আৰু ব্ৰিটেইনৰ নীল স্কুপছিৰ যুটীটোৰ মুখামুখি হ'ব।

০০০০০

সমাপ্ত